Office of the
INDIGENOUS TRIBAL SAHITYA SABHA, ASSAM (ITSSA)
H.Q. : (Temporary) Socio- Literary Cultural Complex (BSS)
(Near RNB ISBT)
Bathoupuri, Garchuk- Ahomgaon, Guwahati-35

**No.** **Date : 16-07-2020**

# সংবাদ বিজ্ঞপ্তি

# কৰোণা মহামাৰী আৰু ভয়াবহ বানপানীৰ বাবে উদ্বেগ প্ৰকাশ খিলঞ্জীয়া জনজাতীয় সাহিত্য সভা, অসমৰ

## গুৱাহাটী, ১৬ জুলাই ২০২০

সমগ্ৰ বিশ্বতেই ত্ৰাসৰ সৃষ্টি কৰা কৰোণা মহামাৰীয়ে অসমতো দিনক দিনে ভয়ানক ৰূপ লোৱাত খিলঞ্জীয়া জনজাতীয় সাহিত্য সভা, অসমৰ তৰফৰ পৰা গভীৰ উদ্বিগ্নতা প্ৰকাশ কৰিছে। ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰ তৰফৰ বাৰে বাৰে আহ্বান জনোৱা আৰু বিজ্ঞাপন প্ৰচাৰ কৰাৰ পিছতো অসমৰ জনসাধাৰণে কৰোণা মহামাৰী ৰোধ কৰাৰ বাবে যিমান সজাগতা অবলম্বন কৰিব লাগিছিল, সিমানখিনি সজাগতাৰ অভাৱৰ বাবেই কৰোণা মহামাৰীয়ে গণসংক্ৰমনৰ দিশলৈ অধিক ধাৱমান হ'ল। যাক এতিয়া ৰোধ কৰাৰ ক্ষেত্ৰত অসম চৰকাৰৰ স্বাস্থ্য বিভাগ বিফল হবলৈ গৈ আছে। সামাজিক দুৰত্ব বজাই নৰখা, মাক্স নলোগোৱা, অযথা চ'ক-বজাৰত ভিৰ কৰা, বিবাহ- মৃতকৰ সৎকাৰৰ সময়ত চৰকাৰে বান্ধি দিয়া নীতি-নিয়ম পালন নকৰা আদি কাৰ্য্যই অসমত গণসংক্ৰমনৰ প্ৰধান কাৰণ হিচাপে দেখা দিছে। সেইক্ষেত্ৰত অসমৰ জনসাধাৰণ অধিক সজাগ হোৱাৰ সময় আহি পৰিছে। নহলে অসমত এটা সময়ত মৃত্যু উপত্যকা সদৃশ পৰিবেশৰ সৃষ্টি হ'ব। বৰ্তমান অসম চৰকাৰৰ স্বাস্থ্য বিভাগে মাননীয় স্বাস্থ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত যোৱা চাৰিটা মাহে যিমান তৎপৰতাৰে কৰোণা মহামাৰী ৰোধ কৰাৰ কাৰণে চিকিৎসাৰ বাবে আন্তঃগাঠনিৰ ব্যৱস্থা কৰিছে, সেয়াও এতিয়া নাটনি হোৱাৰ পিনে গতি কৰিছে। সেয়েহে গাওঁ, নগৰ, মহানগৰ য'তেই নাথাকক কৰোণা মহামাৰীৰ সংহাৰী ৰূপৰ পৰা বাচি থকাৰ উপায় হিচাপে সকলো ধৰণৰ চৰকাৰী নীতি-নিৰ্দ্দেশনা মানি চলিবলৈ অসমৰ জনসাধাৰণৰ প্ৰতি বিনম্ৰ আহ্বান জনাইছে খিলঞ্জীয়া জনজাতীয় সাহিত্য সভা, অসমৰ সভাপতি শ্ৰী গোবিন্দ টাইদ আৰু সম্পাদক প্ৰধান শ্ৰী কমলাকান্ত মুছাহাৰীয়ে।

আনফালে ভূতৰ ওপৰত দানহ পৰাৰ দৰে আগতীয়া সংহাৰী বানত সমগ্ৰ অসমৰ লাখ লাখ লোক ক্ষতিগ্ৰস্থ হবলগীয়া হোৱা আৰু বহুকেইজন লোক মৃত্যু মূখত পৰিবলগীয়া হোৱাটো অতিকৈ দুৰ্ভাগজনক বুলি উদ্বেগ প্ৰকাশ কৰিছে খিলঞ্জীয়া জনজাতীয় সাহিত্য সভা, অসমে।

বৰ্ত্তমান অসমৰ লাখ লাখ হেক্টৰ কৃষি ভূমি সংহাৰী বানত ধ্বংস হৈ গৈছে। হাজাৰ হাজাৰ পশুধন বানত উটি গৈছে। হাজাৰ হাজাৰ ঘৰ-বাৰী বানপানী আৰু গৰাখহনীয়াত জাহ গৈছে। বানপানীত ক্ষতিগ্ৰস্ত

*সিপিঠিত .... ২*

লোকে এমুঠি অন্ন আৰু এটুপি খোৱা পানীৰ বাবে হাহাকাৰ কৰিবলগীয়া হৈছে। কিন্তু অসম চৰকাৰ আৰু ভাৰত চৰকাৰে পৰ্যাপ্ত বান সাহাৰ্য্য এতিয়াওঁ দিব পৰা নাই। অসমৰ বহু দল-সংগঠনে অসমৰ বান সমস্যা এক ৰাষ্ট্ৰীয় সমস্যা হিচাবে স্বীকৃতি প্ৰদান কৰি বাজেটত পৰ্য্যাপ্ত পৰিমাণৰ ধনৰ ব্যৱস্থা কৰিবলৈ বছৰ বছৰ ধৰি দাবী উত্থাপন কৰি আহিছে। কিন্তু মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীযুত নৰেন্দ্ৰ মোডীৰ নেতৃত্বৰ ভাৰতৰ এন ডি এ চৰকাৰে যোৱা ছয়টা বছৰত কোনো সিদ্ধান্ত গ্ৰহণ নকৰিলে।

খিলঞ্জীয়া জনজাতীয় সাহিত্য সভা, অসমৰ তৰফৰ পৰা যোৱা ১ আগষ্ট, ২০১৯ তাৰিখে নতুন দিল্লীৰ নৰ্থ ব্ল'ক কাৰ্যালয়ত ভাৰতৰ মাননীয় গৃহমন্ত্ৰী শ্ৰীযুত অমিত শ্বাহ ডাঙৰীয়াক এখন স্মাৰক পত্ৰ যোগে অসমৰ বানপানী সমস্যাক ৰাষ্ট্ৰীয়ে সমস্যা হিচাবে গণ্য কৰি বছৰি কমেও দহ হাজাৰ কোটি টকাৰ বান হাসাৰ্য্য জৰুৰী ভাবে বাৰ্ষিক বাজেটৰ ব্যৱস্থা কৰিবলৈ দাবী জনোৱা হৈছিল। সেই মৰ্মে অসম চৰকাৰক যাবতীয় প্ৰতিবেদন দাখিল কৰিবলৈ গৃহমন্ত্ৰী মাননীয় শ্ৰীযুত অমিত শ্বাহ মহোদয়ে যোৱা ১৬ আগষ্ট ২০১৯ তাৰিখে No.- 11012/01/2019-NE, VI যোগে নিৰ্দেশ জাৰি কৰিছিল। কিন্তু অসম চৰকাৰ তথা অসম চৰকাৰৰ জলসম্পদ মন্ত্ৰাণালয়ে আজিলৈকে কোনো ব্যৱস্থাই গ্ৰহণ নকৰিলে। এইয়া অসমৰ জনসাধাৰণৰ বাবে অতিকৈ দুৰ্ভাগজনক বুলি ক্ষোভ প্ৰকাশ কৰিছে খিলঞ্জীয়া জনজাতীয় সাহিত্য সভা, অসমে। কিন্তু বৰ্তমান কৰোণাৰ ভয়াবহতাৰ অজুহাতত যাতে বানাক্ৰান্ত লোক যাতে অৱহেলিত হবলগীয়া নহয় তাৰ প্ৰতি দৃষ্টি ৰাখিবলৈ অসম চৰকাৰৰ ওচৰত আহবান জনোৱাৰ লগতে ভাৰত চৰকাৰৰ তৰফৰ পৰা কমেও দহ হাজাৰ কোটি বান সাহাৰ্য্য আগবঢ়োৱাৰ বাবে দাবী জনাইছে খিলঞ্জীয়া জনজাতীয় সাহিত্য সভা, অসমে (ইটছাই) দাবী জনাইছে।

**(শ্ৰী গোবিন্দ টাইড)**
**সভাপতি**
**খিলঞ্জীয়া জনজাতীয় সাহিত্য সভা, অসম**

**(শ্ৰীকমলাকান্ত মুছাহাৰী)**
**সম্পাদক প্ৰধান**
**খিলঞ্জীয়া জনজাতীয় সাহিত্য সভা, অসম**
মো ঃ নং ঃ 94351-90874